ডোখৰতে ইয়াৰ প্ৰমাণ হ'ল। ভাৰতীয়সকলৰ প্ৰতি অপমান-সূচক কথা কোৱাৰ কাৰণে সুভাষচন্দ্ৰই সহ্য কৰিব নোৱাৰি ইংৰাজ প্ৰফেচাৰ এজনক ভালকৈ এশিকনি দিলে। ইংৰাজ শাসকে তেওঁৰ বিচাৰ কৰি কলেজৰপৰা তেওঁক খেদি দিলে। তথাপি ১৯১৯ চনত তেওঁ কলিকতাৰ স্কটিছ্ চাৰ্চ্চ কলেজৰপৰা বি-এ পাছ কৰিলে অৰ্থাৎ তেওঁ প্ৰৱেশিকা পৰীক্ষা পাছ কৰাৰ ছবছৰৰ পিচত। এই চনতে সুভাষচন্দ্ৰই বিলাতলৈ যাত্ৰা কৰিলে।

চতুৰ্থ স্থান অধিকাৰ কৰি তেওঁ পাছ কৰিলে ইণ্ডিয়ান্ চিভিল চাৰ্ভিছ্ পৰীক্ষা। আমাৰ দেশৰ আনন্দৰাম বৰুৱাইহে মাথোন এই পৰীক্ষা পাছ কৰিব পাৰিছিল।

পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হোৱা দেখি তেওঁলৈ ভাল ভাল চাকৰিবোৰ আগবঢ়োৱা হ'ল। কিন্তু ইংৰাজৰ তলত চাকৰি কৰাৰ মোহ তেওঁৰ নোহোৱা হৈ আহিল। যি ইংৰাজ অধ্যাপক এজনে এদিন সুভাষচন্দ্ৰৰ আগত জুইৰ দৰে জ্বলি উঠিছিল, তেওঁৰ নিচিনা ইংৰাজৰ তলত তেওঁ চাকৰি কৰিব লাগিবনে ?

নাই, নকৰে। এনে চাকৰিৰ প্ৰতি তেওঁৰ ঘৃণা হ'ল। খাটি সোণৰ দৰে তেওঁৰ অন্তৰে দেশক সেৱা কৰি দেশক উজ্জ্বল কৰিবলৈ বিচাৰিলে।

বিলাতৰপৰা তেওঁ ভাৰতলৈ উভতি আহিল।

তেতিয়া ১৯২১ চন। মহাত্মা গান্ধীয়ে ভাৰতবৰ্ষত অসহ-যোগৰ দুন্দুভি বজাইছে। সুভাষচন্দ্ৰই আৰু নীৰৱে থাকিব নোৱাৰিলে। তেৱোঁ আগবাঢ়ি আহিল। তেওঁ বুজিলে যে ইংৰাজৰ কবলৰপৰা জন্মভূমিক উদ্ধাৰ কৰিবৰ বাবে অসহযোগ বিতোপন পন্থা।

সেই সময়ত বঙ্গদেশত দেশবন্ধু চিত্তৰঞ্জন দাস গুৰিয়াল আছিল। এইজন পুৰুষ অদ্বিতীয় আছিল যদিও তেওঁৰ দ্বিতীয় হৈ থিয় হ'ল সুভাষচন্দ্ৰ। অসহযোগ আন্দোলন পূৰ্ণ উদ্যমে চলিবলৈ ধৰিলে। ইংৰাজৰ হাতৰপৰা ভাৰতবৰ্ষক উদ্ধাৰৰ অৰ্থে তেওঁ মন প্ৰাণ ঢালি দিলে এই আন্দোলনত।

কিন্তু ইংৰাজে এই আন্দোলন দমন কৰিবলৈকে আন্দোলনৰ নেতাসকলক বন্দী কৰিবলৈ ধৰিলে। চিত্তৰঞ্জনৰ লগতে সুভাষচন্দ্ৰও বন্দী হ'ল। ইংৰাজ শাসকে ছমাহৰ কাৰাদণ্ড দিলে সুভাষচন্দ্ৰক।

যিবিলাক মানুহে দেশক ভাল পায় তেওঁবিলাকে অকল আন্দোলন বা বিপ্লৱকে নকৰে, দেশৰ সেৱাও কৰে।

১৯২২ চনত বঙ্গদেশত বানপানী হৈছিল। এই প্ৰাকৃতিক দুৰ্য্যোগত অনেক ধন-জন, মাটি-বাৰী আৰু ৰাজহুৱা সম্পত্তিৰ হানি হ'ল। তেতিয়া পীড়িতসকলৰ অৱস্থা দেখিলে শোক লাগে। গৰু-ছাগলীৰ কথাই নাই, মানুহে জানো মানুহৰ এনেকুৱা দুৰ্গতি চকুৰে চাই থাকিব পাৰে ?

আচাৰ্য্য প্ৰফুল্লচন্দ্ৰ ৰায় ডাঙৰীয়াক মানুহে বঙ্গৰ গান্ধী বোলে। এইজনা পুৰুষৰ নিচিনা ত্যাগী আৰু পৰোপকাৰী মানুহ পৃথিৱীতেই বিৰল। বানপানীৰ সময়ত তেওঁ পীড়িতজনক সহায় কৰিবলৈ কঁকালত টঙালি বান্ধি ওলাল। তেওঁৰ লগতে গ'ল সুভাষচন্দ্ৰও। ফাটেকৰপৰা ওলায়েই তেওঁ বানপানীৰ গৰাহত পৰা মানুহক ৰক্ষা কৰিবলৈ আগবাঢ়ি গ'ল।

আগবাঢ়ি যোৱা কথাটো সুভাষচন্দ্ৰৰ এটা নীতি। 'কদম কদম বঢ়ায়ে যা' বুলি যি গানটো মাৰ্চ্চ-পাষ্ট কৰোঁতে গায়, সেইটো তেওঁৰেই দান। তেওঁৰ জীৱনটোৱেই যেন আগবাঢ়ি যোৱাৰ গান এটাহে।

১৯২৪ চনত দেশবন্ধু চিত্তৰঞ্জন দাস কলিকতা কৰ্পৰেশ্যনৰ মেয়ৰ হৈছিল। মেয়ৰৰ কাম বৰ দায়িত্বপূৰ্ণ। কলিকতাৰ নিচিনা ডাঙৰ নগৰ এখনৰ বাট-পদূলি, ঘৰ-দুৱাৰৰ তদাৰক লোৱা, খোৱাপানীৰ যোগান ধৰা, বিজুলী চাকি লগোৱাৰ দিহা কৰা আৰু ময়লা গুচাই চাফ্-চিকুণকৈ ৰখা সহজ কথা নহয়। দেশবন্ধুৱে সুভাষচন্দ্ৰক কৰ্পৰেশ্যনৰ প্ৰধান ব্যৱস্থাপক চীফ্ এক্‌জিকিউটিভ্ অফিচাৰ হিচাপে নিয়োগ কৰিলে। সুভাষচন্দ্ৰই এই কামত সোমায়েই দুগুণ উৎসাহেৰে কাম কৰিবলৈ ধৰিলে। কলিকতা কৰ্পৰেশ্যন্ জকমকাবলৈ ধৰিলে সুভাষচন্দ্ৰৰ নিবহ নিপানী সেৱাত।

সুভাষচন্দ্ৰই কৰ্পৰেশ্যনত কাম কৰোঁতে সকলোৰে সুখ-দুখৰ কথা ভাবিছিল। কিছুমানক বিশেষ সুবিধা দিয়া আৰু কিছুমানক অসুবিধাত ৰখা তেওঁৰ স্বভাৱ নহয়। তেওঁ কৰ্পৰেশ্যনত সাম্যবাদ অৰ্থাৎ সকলোকে সমান সুবিধা দিয়া নীতি খটালে। ইংৰাজে কিন্তু এই নীতি সমূলি ভাল নেপাইছিল। সুভাষচন্দ্ৰক তেওঁবিলাকে বৰ ডাঙৰ ভেটা যেন পালে। সুভাষচন্দ্ৰৰ নীতিত যদিও দুৰ্নীতি নাছিল তথাপি ইংৰাজৰ চকুত সেয়ে দুৰ্নীতি হ'ল। ইংৰাজ চৰকাৰে তেওঁক আকৌ গ্ৰেপ্তাৰ কৰি ব্ৰহ্মদেশৰ মান্দালয় জেলত বন্দী কৰি থলে।

সৰুকালিৰপৰা সুভাষচন্দ্ৰৰ শৰীৰ নিৰোগ আছিল। ডাঙৰ বেমাৰ-আজাৰ হোৱা তেওঁৰ মনত নপৰে। কিন্তু অস্বাস্থ্যকৰ মান্দালয়ৰ জেলত তেওঁৰ শৰীৰ একেবাৰে ৰুগীয়া হৈ পৰিল।

তিনি বছৰৰ মূৰত মান্দালয় জেলৰপৰা তেওঁ মুকলি হল। মুকলি হৈ তেওঁ বঙ্গদেশলৈকে উভতি আহিল, কিন্তু তেওঁৰ দীক্ষাদাতা দেশবন্ধু চিত্তৰঞ্জনক আৰু দেখা নেপালে। দেশবন্ধুৱে তেওঁ অহাৰ বহুত আগতেই ইহধাম এৰি গ'ল।

বঙ্গৰ মানুহে সুভাষচন্দ্ৰক এৰি নিদিলে; আদৰি ললে তেওঁক। দেশবন্ধুৱে শূন্য কৰি থৈ যোৱা আসনত বঙ্গই সুভাষচন্দ্ৰকে বহুৱালে।

এইবাৰ সুভাষচন্দ্ৰই বঙ্গ কংগ্ৰেছৰ গুৰিৱঠা হাতত ললে। তেওঁ বঙ্গৰ প্ৰাদেশিক কংগ্ৰেছ কমিটীৰ সভাপতি নিৰ্ব্বাচিত হ'ল। সৰ্দো ভাৰত কংগ্ৰেছ কমিটীৰ প্ৰধান সম্পাদকৰ বাবো তেওঁকে দিয়া হ'ল।

কংগ্ৰেছেই তেতিয়া সকলোতকৈ ডাঙৰ ৰাজনৈতিক অনুষ্ঠান। সেইবাবে কংগ্ৰেছৰ কামত দোষ ধৰোতা কোনো নাই। তথাপি সুভাষচন্দ্ৰই যিটো ন্যায় আৰু উচিত বুলি ভাবিছিল তাক নিৰ্ভয়ে কৰিছিল। কংগ্ৰেছৰ কোনো কথাত তেওঁৰ মন এঙালে তাক প্ৰকাশ কৰিবলৈ ভয় নকৰিছিল। ১৯২৯ চনত লাহোৰত বহা কংগ্ৰেছৰ মহাসভাত সুভাষচন্দ্ৰই কলে যে ভাৰতবৰ্ষক সম্পূৰ্ণ স্বাধীন কৰিব লাগে। কংগ্ৰেছৰ সোঁপন্থী সভ্য-

সকলে এই ধৰণৰ কোনো উগ্ৰ মতবাদ মানিব নোখোজে। তথাপি সুভাষচন্দ্ৰৰ এই প্ৰস্তাৱ মহাসভাই গ্ৰহণ কৰিলে।

ইয়াৰ পিচতে সুভাষচন্দ্ৰই মহাত্মা গান্ধীৰ অনুগামী হৈ তেওঁৰ স্বাধীনতা যুজৰ প্ৰধান যুজাৰু হ'ল।

এইবাৰ আকৌ তেওঁক গ্ৰেপ্তাৰ কৰিলে। তেতিয়া ১৯৩০ চন্।

জেলত থাকোতেই তেওঁক পতা হৈছিল কলিকতা কৰ্পৰেশ্যনৰ মেয়ৰ। কিছুদিন বন্দী কৰি ৰখাৰ পাচত তেওঁ মুক্তি পালে। ১৯৩১ চনৰ অসহযোগ আন্দোলনত পুনৰ তেওঁক বন্দী কৰি থোৱা হ'ল। এইদৰে বাৰে বাৰে বন্দী হৈ থাকি তেওঁ স্বাস্থ্য হেৰুৱাই পেলাইছিল।

১৯৩৩ চনত তেওঁ ভাৰতবৰ্ষ এৰি ভিয়েনালৈ গুচি-গ'ল। চিকিৎসাৰ কাৰণেই তেওঁক তালৈ যাবলৈ দিয়া হ'ল। ভিয়েনাৰ বিশ্ববিখ্যাত চিকিৎসালয়ত তেওঁৰ শৰীৰ কিছু উন্নতিলৈ আহিল।

ইয়াৰ পিচৰপৰা সুভাষচন্দ্ৰৰ জীৱনৰ সুঁতি অইন ফালে বৰলৈ ধৰিলে। তেওঁৰ পিতৃবিয়োগ ঘটে ১৯৩৪ চনত। তেওঁ সেই সময়ত উলটি আহিল যদিও দেউতাকক আৰু নেদেখিলে। বিদেশত বা জেলত তেওঁৰ দিনবোৰ পাৰ হোৱাত ঘৰৰ লগত তেওঁৰ সম্বন্ধ একেবাৰে নোহোৱাৰ নিচিনা হৈছিল। কৰ নোৱাৰাকৈয়ে দেউতাকেও তেওঁক এৰি গ'ল। ১৯৩৫ চনত তেওঁ আকৌ ইউৰোপলৈ ঘূৰি যায়।

ধীৰে ধীৰে বৈ যোৱা নৈ এখনৰ দৰে কংগ্ৰেছৰ সোঁত আছিল মৃদু। মহাত্মা গান্ধীয়ে এই মৃদু সোঁতত প্ৰাণ ঢালি দিলে। সুভাষচন্দ্ৰই ঢালিলে তেজ। কিন্তু প্ৰাণৰ লগত তেজৰ যি অমিল তেনে অমিলেই থাকিল মহাত্মাৰ লগত সুভাষচন্দ্ৰৰ। সুভাষচন্দ্ৰৰ উগ্ৰতা গান্ধীজীয়ে সমৰ্থন কৰিব পৰা নাছিল। কিন্তু সুভাষচন্দ্ৰৰ ওপৰত তেওঁৰ বিশ্বাস হলে অটুট আছিল।

১৯৩৮ চনত সুভাষচন্দ্ৰ হৰিপুৰত বহা কংগ্ৰেছ মহাসভাৰ সভাপতি হ'ল। তেওঁ কলে ভাৰতবৰ্ষ শাসন কৰি থকা বিদেশী শাসকৰ লগত আমাৰ একো মিটমাট হব নোৱাৰে।

কিন্তু গান্ধীজী মিটমাটৰ পক্ষে আছিল। ইয়াৰ পিচৰ বছৰত কংগ্ৰেছৰ সভাপতি ৰূপে পট্টভী সীতাৰামায়াৰ নাম গান্ধীজীয়ে কলে। এওঁকে ত্ৰিপুৰাত বহিবলগীয়া কংগ্ৰেছ মহাসভাৰ সভাপতি পাতিলে গান্ধীজীয়ে সন্তোষ পায়। কিন্তু বাওঁপন্থী কংগ্ৰেছৰ সমৰ্থন পালে সুভাষচন্দ্ৰই। সোঁপন্থী কংগ্ৰেছ নেতাসকল সুভাষ চন্দ্ৰৰপৰা আঁতৰি আহিল। ১৯৩৯ চনৰ মহাসভাত জ্বৰৰ গাৰেই সুভাষচন্দ্ৰই সভাপতিৰ অভিভাষণ পঢ়িলে। চেঁচাপানীত কাপোৰ তিয়াই তেওঁৰ মূৰত পটি বান্ধি দিয়া হৈছিল। কেই-গৰাকীমান ছোৱালীয়ে তেওঁক বিচি আছিল। সেইদৰেই তেওঁ কংগ্ৰেছ মহাসভাৰ সভাপতিত্ব কৰিলে। কিন্তু সোঁপন্থী নেতা-সকলৰ আচৰণত দুখ পাই তেওঁ বেলেগ দল কৰি কংগ্ৰেছৰপৰা ওলাই আহিল। সুভাষচন্দ্ৰই কংগ্ৰেছৰে এটা শাখাৰ দৰে আন এটা দল গঠন কৰিলে। এই দলটোৰ নাম 'ফৰৱাৰ্ড ব্লক'। এই নতুন মন্ত্ৰই দেশত নতুন তেজ আনি দিলে। কংগ্ৰেছত মহাত্মা গান্ধীৰ প্ৰাণশক্তি আছিল হয়, কিন্তু তাত তেজ নেথাকিলে সেই প্ৰাণ উজ্জ্বল হয় কেনেকৈ ?

ভাৰতবৰ্ষত স্বাধীনতা আন্দোলনৰ জুইকুৰা উমি উমি জ্বলি থকা অৱস্থাতে ইউৰোপত বিশ্বজোৰা দ্বিতীয় মহাযুদ্ধৰ সূচনা হ'ল। ১৯৩৯ চনৰ ১ ছেপ্টেম্বৰত জাৰ্ম্মানী আৰু ৰুছিয়াই পোলেণ্ড আক্ৰমণ কৰে। ইংলণ্ড আৰু ফ্ৰান্সে পোলেণ্ডক সহায় কৰাৰ প্ৰতিশ্ৰুতি মতে তেওঁলোকেও যুদ্ধত যোগ দিবলৈ বাধ্য হয়। ভাৰতবৰ্ষত থকা ইংৰাজসকলো এই যুদ্ধৰ বাবে সতৰ্ক হৈ পৰিল।

১৯৪০ চনৰ আৰম্ভনিতে ইংৰাজ শাসকে সুভাষচন্দ্ৰক ঘৰতে নজৰবন্দী কৰি ৰাখিলে, কেনিও যাব নোৱাৰাকৈ। ইংৰাজৰ ভয় আছিল—কিজানি তেওঁ যুদ্ধ প্ৰচেষ্টাত বিঘিনি-পথালি দিয়ে।

১৯৪১ চনৰ ২৬ জানুৱাৰীত হঠাৎ তেওঁ নিজৰ ঘৰৰপৰাই নোহোৱা হ'ল। বৃটিছ প্ৰহৰীৰ চকুত ধূলি মাৰি নিৰুদ্দেশ হ'ল সুভাষচন্দ্ৰ। ছদ্মবেশে তেওঁ আফ্‌গানিস্থানৰ ৰাজধানী

কাবুল ওলালগৈ। বাটত পোৱা অশেষ কষ্ট আৰু বিপদতো তেওঁ কাতৰ নহ'ল। বৃটিছৰাজৰ বন্দীশালত তেওঁৰ শৰীৰহে ৰুগ্ন হৈছিল, মন হোৱা নাছিল; বৰং সঘনে কাৰাদণ্ড লভি আৰু কষ্ট ভোগ কৰি তেওঁৰ মনটো আগতকৈয়ো শক্তিশালী, দৃঢ় আৰু সবল হৈ পৰিল।

২০ মাৰ্চ্চ তাৰিখে কাবুলৰপৰা সুভাষচন্দ্ৰই মস্কো বুলি যাত্ৰা কৰিলে। ২৮ মাৰ্চ্চত তেওঁ জাৰ্ম্মানীৰ ৰাজধানী বাৰ্লিন পালেহি। জাৰ্ম্মানীত তেতিয়া যুদ্ধৰ অগ্নিয়ে লেলিহান জিভা মেলি উঠিছে দাউ দাউ কৰি। ইংলণ্ডৰ প্ৰধানমন্ত্ৰী উইনষ্টন চাৰ্চ্চিলে জাৰ্ম্মানবিলাকক গতিৰোধ কৰিবলৈ আপ্ৰাণ চেষ্টা কৰিলে। হিটলাৰৰ ৰণশিঙা কিন্তু বাজিয়েই থাকিল। যুদ্ধই শাম নেকাটিলে। ১৯৪১ চনৰ ডিচেম্বৰ মাহত ইংলণ্ডৰ সপক্ষে আমেৰিকাই বিপক্ষে জাপানে জাৰ্ম্মানীৰ লগত যোগদান দিয়ে।

১৯৪২ চনৰ ২০ এপ্ৰিলত বাৰ্লিন ৰেডিঅ'ত সুভাষচন্দ্ৰৰ মাত শুনিবলৈ পোৱা গ'ল। তেওঁ শত্ৰুৰ লগত যোগ দি হলেও ভাৰতক ইংৰাজৰ হাতৰপৰা উদ্ধাৰ কৰিব। বাৰ্লিনতেই তেওঁ আশাৰ ক্ষীণ ৰেঙনি দেখা পালে। তেওঁ বিদেশী ভাৰতীয় সকলক গোট খুৱাই আজাদ হিন্দ ফৌজ আৰু স্বাধীন ভাৰত গৱৰ্ণমেণ্ট কৰাৰ পৰিকল্পনা কৰে।

১৯৪৩ চনৰ ২০ জুনত তেওঁ জাৰ্ম্মানীৰপৰা চাব্‌মেৰিন্ যোগে জাপানলৈ গ'ল। চাব্‌মেৰিন্ পানীৰ তলে তলে যোৱা জাহাজ। এডাল সৰু নলীৰ বাহিৰে গোটেই জাহাজখনেই পানীৰ তলত লুকাই থাকে। চাব্‌মেৰিনত যোৱাত ইংৰাজ-সকলে সুভাষচন্দ্ৰৰ কোনো সন্ধান নেপালে।

জাপানৰপৰা তেওঁ আকৌ ফিৰি আহিল দক্ষিণ-পূব এচিয়ালৈ। ৪ জুলাইত সুভাষচন্দ্ৰ চিঙ্গাপুৰত। উত্তৰ-পূব এচিয়াত থকা ভাৰতীয় প্ৰতিনিধিসমূহ সমবেত হয় এই চিঙ্গা-পুৰতে। তেওঁলোকে টকিঅ' আৰু বেঙ্ককত কৰা সভা দুখনত ভাৰতত বিদেশীৰ আধিপত্য হস্তক্ষেপ আৰু শাসন উচ্ছেদ কৰি স্বাধীনতা স্থাপন কৰাৰ প্ৰস্তাৱ ললে। ভাৰতীয় স্বাধী-নতা সংঘৰ সূচনা হ'ল। এয়ে আজাদ হিন্দ সংঘ। সুভাষচন্দ্ৰ

এই সংঘৰ সভাপতি নিৰ্ব্বাচিত হ'ল। কেপ্টেইন মোহন সিঙৰ অধিনায়কত্বত আজাদ হিন্দ ফৌজৰ সংগঠনকাৰ্য্য আৰম্ভ হয়। সুভাষচন্দ্ৰৰ উদ্দীপনাপূৰ্ণ আহ্বান শুনি প্ৰাচ্য প্ৰবাসী ভাৰতীয় নাৰীসকলো আগবাঢ়ি আহিল। ডাঃ কৰ্ণেল স্বামী লক্ষ্মীনাথনৰ নেতৃত্বত 'ঝান্সি ৰেজিমেণ্ট' গঠিত হ'ল। বিদেশত থকা ভাৰতীয় নাৰীসকলে দলে দলে আহি ইয়াত যোগ দিলেহি।

১৯৪৩ চনৰ ২১ অক্টোবৰত আজাদ হিন্দ চৰকাৰ গঠিত হ'ল। ইয়াকে 'আৰ্জ্জি হুকুমত-ই-আজাদ হিন্দ' বোলে। এই গৱৰ্ণমেণ্টৰ ৰাষ্ট্ৰনায়ক হ'ল সুভাষচন্দ্ৰ। প্ৰচাৰত থাকিল আয়াৰ, অৰ্থত এ, চি চেটাৰ্জ্জী আৰু প্ৰধান সেনাপতি পদত লেফটেনেণ্ট কৰ্ণেল শ্বাহ নওৱাজ। ৰাসবিহাৰী বসুৱে প্ৰধান পৰামৰ্শদাতাৰ বাব ললে। এয়েই ভাৰতৰ প্ৰথম স্বাধীন গৱৰ্ণমেণ্ট বা চৰকাৰ। আজাদ হিন্দ চৰকাৰে কিছুমান ডাকটিকতো উলিয়াইছিল। তাত ছবি আছিল নাঙল আৰু যঁতৰৰ।

ইয়াৰ পাচৰপৰা ধুমুহাৰ দৰে আজাদ হিন্দ বাহিনীয়ে ইংৰাজৰ বিপক্ষে গুজৰিবলৈ ধৰিলে। ১৯৪৩ চনৰ অক্টোবৰ মাহতে তেওঁলোকে ইংলণ্ড আৰু আমেৰিকাৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিলে। ৰণ-শিঙা বাজি উঠিল ভাৰত-ব্ৰহ্ম সীমান্তত। সুভাষচন্দ্ৰৰ 'দিল্লী চলো' ৰণ-ধ্বনিয়ে প্ৰাচ্য আকাশ মুখৰিত কৰিলে।

ইংলণ্ড আৰু আমেৰিকাক Allied Powers বা মিত্ৰশক্তি বোলে। সুভাষচন্দ্ৰৰ আজাদ হিন্দ চৰকাৰ জাপানৰ সাহায্য পাই শক্তিশালী হৈ উঠিল। পোন-প্ৰথমে যুদ্ধত অৱতীৰ্ণ হৈয়েই জাপানে মাৰ্কিন নৌ আৰু বিমানশক্তিক ক্ষতিগ্ৰস্ত কৰে পাৰ্লহাৰবৰত। তাৰে পোটক তুলিবলৈ হেজাৰ হেজাৰ আমেৰিকান সৈন্য আহি অসমৰ পূব সীমান্ত কঁপাই তুলিলেহি। সুভাষচন্দ্ৰৰ নেতৃত্বত পাঁচোটা দলত বিভক্ত হৈ আজাদ হিন্দ বাহিনীয়ে বৃটিছ আৰু আমেৰিকান সৈন্যৰ গুলীবৰ্ষণলৈ আওকাণ কৰি ভাৰত-ব্ৰহ্ম সীমা পাৰ হৈ আগবাঢ়ি আহিল। (১) সুভাষ বিগ্ৰেড, কৰ্ণেল শ্বাহ নওৱাজ খানৰ অধীনত।

(২) গান্ধী বিগ্ৰেড্, কৰ্ণেল আই জে কিয়ানীৰ অধীনত। (৩) আজাদ বিগ্ৰেড্, কৰ্ণেল মোহন সিঙৰ অধীনত। (৪) নেহৰু বিগ্ৰেড্, কৰ্ণেল আজিজ আহম্মদৰ অধীনত। আৰু (৫) পেটেল বিগ্ৰেড্, কৰ্ণেল প্ৰতীম সিঙৰ অধীনত।

আজাদ হিন্দ বাহিনীয়ে মণিপুৰ দখল কৰিলে। আন কি কহিমাও। ১৯৪৪ চনৰ ১৮ মাৰ্চত ভাৰতভূমিত পোন প্ৰথম স্বাধীন ভাৰতৰ পতাকা উত্তোলন কৰে। ত্ৰিৰঙ্গ পতাকা নাচিবলৈ ধৰিলে ভাৰতৰ নীল আকাশত।

হঠাতে সুভাষচন্দ্ৰৰ 'দিল্লী চলো' ধ্বনি ক্ষীণ হৈ আহিল। তেওঁলোকে পিচুৱাই আহিবলৈ বাধ্য হ'ল। বাৰিষা ধাৰাসাৰ বৰষুণ তেতিয়া, তাতে পৰ্ব্বতীয়া ঠাই। সমবতো শত্ৰুপক্ষৰ অবিৰত কামান বৰ্ষণ। ইফালে খাদ্যবো অভাৱ হৈ আহিল। আৰু দুৰ্দ্দৈৱ যে ভাৰতৰপৰা কোনো ফৌজে তেওঁবিলাকৰ কামত সঁহাৰি নিদিলে। কাৰণ মহাত্মা গান্ধী অহিংসা নীতিত অটল আছিল। যুদ্ধ কৰি ইংৰাজক খেদি ভাৰত উদ্ধাৰ কৰা নীতি তেওঁৰ নহয়। তেওঁ বিচাৰিছিল হৃদয়ৰ সলনি হৃদয়।

দেশক শস্য শ্যামলা নদন-বদন কৰিবলৈ নৈ লাগে বহুতো। এখন নৈয়ে অকলৈ নোৱাৰে। কংগ্ৰেছ এখন মহানদী, সেইদৰে ফৰৱাৰ্ড ব্লকো হ'ল তেনেকুৱা এখন নৈৰ দৰে। এখন নৈয়ে দিলে প্ৰাণ, ইখনে তেজ। এইদৰেই জাতিৰ জীৱন সঞ্জীৱিত হৈ পৰিল।

ভাগ্যৰ ফেৰত যুদ্ধ বন্ধ হ'ল। জাৰ্ম্মানী আৰু জাপান যুদ্ধত হাৰিল আৰু লগে লগে আজাদ হিন্দ ফৌজৰো বস্তি নুমাই আহিল।

যি আশা বুকুত লৈ এক অখণ্ড স্বাধীন ভাৰতবৰ্ষৰ কল্পনা কৰি নেতাজী আছিছিল, সেই আশাৰ বস্তি নুমাই গ'লত নেতাজী উভতি গ'ল। ক'লৈ গ'ল কোনেও কব নোৱাৰে। তেওঁ শেষ চিঠি ইন্দোচীনৰ প্ৰধান বন্দৰ চাইভানৰপৰা লেখিলে। সেয়েই ১৯৪৫ চনৰ ১৬ আগষ্টত প্ৰচাৰিত হোৱা আজাদ হিন্দ চৰকাৰৰ ৰাষ্ট্ৰপতি বসুৰ সৰ্ব্বশেষ হুকুম। তাত লিখা আছিল

যে চাইভানৰপৰা তেওঁৰ অনুপস্থিতিত মেজৰ জেনেৰেল কিয়া-নীয়ে আজাদ হিন্দ চৰকাৰৰ প্ৰতিনিধিত্ব কৰিব।

১৯৪৫ চনৰে ২৩ আগষ্টত শুনা গ'ল যে তেওঁ আকাশী ৰথত উঠি ক'ৰবালৈ যাওঁতে বাটতে পুৰি ছাই হৈ যায়। তেওঁৰ মৃত্যুৰ বিষয়ে আজিও ভাৰতবাসীৰ মনত সন্দেহৰ উদ্ৰেক হয়।

নেতাজীয়ে যি তেজেৰে ভাৰতবৰ্ষৰ বুকু দুগুণ ওখ কৰি থৈ গ'ল সেয়েই নেতাজীৰ শ্ৰেষ্ঠতম অৱদান। এই ওখ বুকু ওখ কৰিয়েই প্ৰত্যেক ভাৰতীয়ই তেওঁক সন্মান কৰে আৰু তেওঁৰ সাহ আৰু প্ৰচণ্ড শৌৰ্য্যৰ প্ৰতি মূৰ দোঁৱায়।

---

# ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ

১৯৪৭ চনৰ ১৫ আগষ্টত ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰিলে। স্বাধীন ভাৰতৰ ৰাষ্ট্ৰপতি হ'ল ডাঃ ৰাজেন্দ্ৰ প্ৰসাদ। তেওঁৰ জীৱনৰ কাহিনী ভাল লাগিবৰে কথা। যিজন মানুহক ছয়ত্ৰিছ কোটি ভাৰতবাসীয়ে স্বাধীন ৰাষ্ট্ৰৰ সভাপতি পাতি লৈছে, তেওঁৰ গুণাৱলী জানিবলৈ নিশ্চয় হেঁপাহ জন্মিব, নহয় নে বাৰু?

বিহাৰৰ চাৰণ জিলাত জিৰাদৈ নামেৰে এখন গাঁও আছে। গাঁওখনৰ নাম চিৰাদৈ হোৱা হ'লে ভাল আছিল নহয় নে? এই জিৰাদৈয়েই ৰাষ্ট্ৰপতি ৰাজেন্দ্ৰ প্ৰসাদৰ জন্মস্থান।

ৰাজেন্দ্ৰ প্ৰসাদৰ ককাদেউতাকৰ নাম আছিল মিছিৰিলাল। তেওঁৰ পুতেক মহাদেৱ সহায়েই ৰাজেন্দ্ৰ প্ৰসাদৰ পিতাক। মিছিৰিলাল অকালতে ঢুকাইছিল। সেই বাবে মহাদেৱ সহায় তেওঁৰ ৰৰদেউতাক চৌধুৰলালৰ তত্ত্বাৱধানত ডাঙৰ-দীঘল হবলগীয়া হৈছিল।

চৌধুৰলাল বৰ প্ৰতাপী মানুহ আছিল। তেওঁ হাথুৱা নামেৰে জমিদাৰী এখনত চাকৰি কৰিছিল। হাথুৱাৰ জমিদাৰ ৰাজেন্দ্ৰপ্ৰতাপ শাহীৰ সোঁহাত স্বৰূপ আছিল চৌধুৰলাল। জমিদাৰীৰ অধিকাৰৰ বিষয়ে মাজতে অলপ আহুকাল হোৱাত তেৱেঁই ৰাজেন্দ্ৰপ্ৰতাপক ৰক্ষা কৰিলে। ৰাজেন্দ্ৰপ্ৰতাপৰ দেউতাক থকা সত্ত্বেও ৰাজেন্দ্ৰ প্ৰতাপকহে ককাদেউতাকে জমিদাৰী দি গৈছিল। সেইদেখি ৰাজেন্দ্ৰপ্ৰতাপক কোনোবাই মাৰে বুলি চৌধুৰলাল তেওঁৰ লগতে শুইছিল। কোনোবাই বিহ খুৱাই হত্যা কৰে বুলি ৰাজেন্দ্ৰপ্ৰতাপৰ আহাৰ চৌধুৰলালেই আগতে চাকি চাব লগা হৈছিল।

চৌধুৰলালে ৰাজেন্দ্ৰপ্ৰতাপক যেনেকৈ ৰক্ষা কৰিলে সেইদৰে নিজৰ পুতেক জগদেৱ সহায় আৰু ভতিজাক মহাদেৱ সহায়কো ফাৰ্চি ভাষাত পণ্ডিত কৰি তুলিলে। হাথুৱা জমিদাৰীখন কৰ্ট অৱ্ ৱাৰ্ডচে লোৱাৰ আগলৈকে এওঁলোক তাতেই থাকিল ; পিচত জিৰাদৈলৈ একেবাৰে গুচি আহিল। ইয়াতে মহাদেৱ সহায়ে কৈশোৰ অতিবাহিত কৰিলে। তেওঁ বিয়াবাৰুও কৰিলে এই জিৰাদৈতে।

মহাদেৱ সহায়ৰ তিনি গৰাকী ছোৱালী আৰু দুটি ল'ৰা ওপজে। শেষৰ পেটমোচা সন্তানটিৰ নামেই ৰাজেন্দ্ৰ প্ৰসাদ। ১৮৮৪ চনৰ ৩ ডিচেম্বৰত তেওঁ ওপজে।

ৰাজেন্দ্ৰ প্ৰসাদৰ দেউতাকে সংস্কৃত আৰু ফাৰ্চি জানিছিল। তেওঁ বেছিভাগ সময় বাগিচাত কাম কৰিয়েই কটায়। তেওঁ ৰোৱা আমৰ কুঞ্জ এতিয়াও জিৰাদৈত আছে। কৱিৰাজী ঔষধো তেওঁ তৈয়াৰ কৰিছিল আৰু দুখীয়া দৰিদ্ৰক বিনামূল্যে দিছিল। ব্যায়াম, খেল-ধেমালি, ঘোঁৰাত উঠা, সাঁতোৰা আদি তেওঁ নিজে যেনেকৈ চৰ্চা কৰিছিল, সেইদৰে আনকো কৰিবলৈ উদগাইছিল।

ৰাজেন্দ্ৰ প্ৰসাদে কিন্তু দেউতাকৰ সকলো গুণ লব নোৱাৰিলে। তেওঁ নিজৰ আত্ম-জীৱনীত এইদৰে লেখি গৈছে, "গছত উঠিবলৈ মোৰ ভয়, সেইদেখি মই গছত উঠিবলৈ নিশিকিলোঁ ; আৰু মোৰ দুখ যে মই সাঁতুৰিবও নেজানিলোঁ, কাৰণ জিৰাদৈৰ ওচৰত কোনো নৈ নাই।"

কিন্তু তেওঁৰ ভাল অভ্যাস এটা আছিল। তেওঁ সোনকালে শুবলৈ যায় আৰু উঠেও সোনকালে। ৰাবকালি দীঘল ৰাতি তেওঁ সোনকালে শুই উঠি মাকক জগায়। মাকে তেতিয়া গাব পাই উঠি ভজন গায় আৰু ৰাজেন্দ্ৰ প্ৰসাদক ৰামায়ণৰ কাহিনী কয়। এইবোৰ শুনি ৰাজেন্দ্ৰ প্ৰসাদৰ ল'ৰা কালটো সদ আদৰ্শৰ ছাঁত গঠিত হ'ল। কিন্তু সোনকালে শোৱা অভ্যাসটোৱে তেওঁক পিচত বৰ বিপদত পেলাইছিল। তেওঁৰ এই অভ্যাসটো কলেজত পঢ়োঁতেও আছিল। সকতে মাকে তেওঁক গধূলিতে শুৱায় আৰু ৰাতি জগাই নৈ টোপনি অৱস্থাতে ভাত খুৱায়।

কলেজত পঢ়োঁতেও তেওঁ টানি মানি ন-মান বজালেকেহে সাৰ পাই থাকিব পাৰে। ১৯১৪-১৫ চনত তেওঁ এম-এল পৰীক্ষালৈ সাজু হওঁতে এটা ঘটনা ঘটিল। তেওঁ তেতিয়া কলিকতা হাইক'ৰ্টত ওকালতি কৰে। পৰীক্ষাৰ বাবে পঢ়িবলৈ কিতাপ মেলি লওঁতেই তেওঁৰ চকুত টোপনিয়ে ধৰে আৰু একোপধ্যে তেওঁ নোটোপনিৱাকৈ থাকিব নোৱাৰে। সেইদেখি তেওঁ খোজ কাঢ়ি কাঢ়ি কিতাপ পঢ়িবলৈ ধৰিলে। কোঠাটোত ঘূৰি ঘূৰি এইদৰে কিতাপ হাতত লৈ পঢ়ি থাকোঁতে টোপনিৰ জালত তেওঁ মাটিত ধুম কৰে পৰিল। দুখো পালে বাৰুকৈ। কিন্তু হাত-ভৰি ভাঙি যে হাস্পতালত পৰি থাকিব-লগীয়া নহ'ল, তাৰ বাবে তেওঁ ঈশ্বৰক ধন্যবাদ দিলে।

ৰাজেন্দ্ৰ প্ৰসাদৰ আখৰ চিনাকি হয় পাঁচ কি ছয় বছৰ বয়সত। মৌলবী এজনে আল্লাৰ নাম লৈ তেওঁক প্ৰথম বৰ্ণ পৰিচয় কৰালে। সেইদিনা ওচৰৰ সকলোকে মিঠাই বিলাই দিছিল। এনেকৈয়ে তেওঁৰ শিক্ষা আৰম্ভ হ'ল।

সেই সময়ত জিৰাদৈত পঢ়া-শুনাৰ সিমান সুবিধা নাছিল। জিৰাদৈত হে নেলাগে তাৰ ওচৰ-সামৰ ঠাইতো এটাও প্ৰাইমেৰী স্কুল নাই। যিজন মৌলবীয়ে তেওঁক পঢ়ায় তেওঁ থকা খোৱাৰ উপৰি মাহে চাৰি টকাকৈ দৰমহা লয়। এই মৌলবীজনেই তেওঁৰ প্ৰথম শিক্ষাগুৰু হ'ল।

চৌধুৰলালৰ সত্তৰ বছৰ বয়স হওঁতে তেওঁৰ একমাত্ৰ পুতেক জগদেৱ সহায় অকালতে ঢুকায়। জগদেৱ সহায়েই ঘৰখন চলাইছিল; কিয়নো মহাদেৱ সহায় ঘৰ চলোৱা বিধৰ মানুহ নাছিল। এই কাৰণেই জগদেৱ সহায় ঢুকুৱাৰ পিচত পৰিয়ালটোত নানান অসুবিধাই দেখা দিলে। এনে ঘৰুৱা অসুবিধাৰ কাৰণে ৰাজেন্দ্ৰ প্ৰসাদে দুবছৰমান নগৰৰ স্কুলত নাম লগাব পৰা নাছিল।

কেইবছৰমানৰ পিচত ৰাজেন্দ্ৰ প্ৰসাদ চাপ্ৰালৈ গ'ল। তাৰ জিলা স্কুলত তেওঁ নাম লগালে। তেওঁৰ ককায়েকে তিনি টকাত ঘৰ এটা ভাৰা কৰি তাতে আছিল। এজন শিক্ষকে ককায়েকক পঢ়াইছিল। কিন্তু ৰাজেন্দ্ৰ প্ৰসাদ যোৱাৰ

লগে লগে শিক্ষকজনক বিদায় দিয়া হ'ল। কোনো ঘৰুৱা শিক্ষকৰ ওচৰত নপঢ়ি ৰাজেন্দ্ৰ প্ৰসাদে নিজে নিজেই পঢ়া-শুনা কৰিবলৈ ধৰিলে। তথাপি তেওঁৰ স্কুলীয়া জীৱনৰ প্ৰথমটো বছেৰেকীয়া পৰীক্ষাতে তেওঁ প্ৰথম হৈ প্ৰমোচন পালে। এয়ে ৰাজেন্দ্ৰ প্ৰসাদৰ জীৱনৰ উন্নতিৰ প্ৰথম পদক্ষেপ।

অকল প্ৰমোচনেই নহয়, ৰাজেন্দ্ৰ প্ৰসাদক হেড্মাষ্টৰ ক্ষীৰোদচন্দ্ৰ ৰায়ে ডবল প্ৰমোচন দিলে। তেতিয়া তেওঁৰ বয়স দহ বছৰ মাথোন। ডবল প্ৰমোচন পাই তেওঁ পাটনাত পঢ়িবলৈ গ'ল। অকল পঢ়াই নহয়, ফুটবলো তেওঁ তাত খেলিবলৈ শিকিছিল।

চাপ্ৰাত পঢ়ি থাকোঁতেই ৰাজেন্দ্ৰ প্ৰসাদৰ ককাদেউতাক চৌধুৰলাল ঢুকায়। ঢুকাবৰ সময়ত তেওঁৰ বয়স আশীৰ ওচৰাওচৰি হৈছিল। তেওঁৰ বুধি-ভৰসা মতেই ঘৰখন চলিছিল। এতিয়া তেওঁ ঢুকুৱাত সংসাৰৰ ভাৰ দেউতাক মহাদেৱ সহায়ৰ মূৰত পৰে।

দুখৰ দিন তেতিয়াহে ঘন হৈ আহিল। মাটিবাৰী জমিদাৰীৰপৰা আয় নোহোৱা হ'ল। মহাদেৱ সহায়ে খেতি-বাতি এৰি দিলে। লগে লগে তেওঁলোকৰ ঘৰৰ অৱস্থা দিনক দিনে বেয়াৰ ফাললৈ হে যাবলৈ ধৰিলে।

ৰাজেন্দ্ৰ প্ৰসাদৰ ককায়েক মহেন্দ্ৰ প্ৰসাদে এলাহাবাদত বি-এ পঢ়োঁতে ৰাজেন্দ্ৰ প্ৰসাদে এণ্ট্ৰেন্স পৰীক্ষা দিবলৈ সাজু হৈছিল। মহাদেৱ প্ৰসাদে অলঙ্কাৰ বন্ধক দি পুতেক দুজনৰ পৰীক্ষাৰ মাচুল দিলে।

ৰাজেন্দ্ৰ প্ৰসাদ দৰা হবলগীয়া হৈছিল তেৰ বছৰ বয়সতে। তেওঁ তেতিয়া পঞ্চম শ্ৰেণীৰ ছাত্ৰ। তেওঁক দৰা সজাই তুলি নিয়া পাল্কীত তেওঁ টোপনিয়াইছিল। হোমৰ গুৰিতো তেওঁ টোপনিতে বৰশী বাই আছিল।

যি হওক এইদৰে টোপনি-গধুৰ হৈয়ো ৰাজেন্দ্ৰ প্ৰসাদে প্ৰথম বিভাগত প্ৰথম হৈ এণ্ট্ৰেন্স পৰীক্ষা পাছ কৰিলে। ৰাজেন্দ্ৰ প্ৰসাদৰ শিক্ষাৰ গুৰিত এজন হেড্মাষ্টৰ আছিল।

তেওঁৰ নাম ৰসিকলাল ৰায়। এইজনা শিক্ষকৰ উৎসাহ আৰু শিক্ষাৰ প্ৰভাৱে ৰাজেন্দ্ৰ প্ৰসাদক মগ্ধ কৰিছিল।

১৮৯৯ চনতে ৰাজেন্দ্ৰ প্ৰসাদে ককায়েক মহেন্দ্ৰ প্ৰসাদৰ পৰা 'স্বদেশী' বস্তুৰ ব্যৱহাৰ কৰিবলৈ শিকিছিল। তেওঁ তেতিয়া এণ্ট্ৰেন্স পৰীক্ষা দি ঘৰতে আছিল। আৰু ককায়েকে সেই সময়ত কলিকতাত এম-এ আৰু ল পঢ়িছিল। ৰাজেন্দ্ৰ প্ৰসাদে এওঁলোকৰ 'স্বদেশী'ৰ বিষয়ে হোৱা আন্দোলন দেখা পাইছিল। এই 'স্বদেশী'ৰ কথা মহেন্দ্ৰ প্ৰসাদে ঘৰতো উলিয়াইছিলগৈ।

এণ্ট্ৰেন্স পৰীক্ষাত বৃত্তি পাই ৰাজেন্দ্ৰ প্ৰসাদ কলিকতালৈ আহিল। যাবৰ সময়ত হেডমাষ্টৰ ৰসিকলাল ৰায়ে কলে, "বিহাৰী ল'ৰা এটা এইবাৰ প্ৰথম হ'ল ; বঙালী ল'ৰাই এইটো সহ্য নকৰিব। শুনা ৰাজেন্দ্ৰ প্ৰসাদ", হেড্ মাষ্টৰে কলে, "তোমাক ইণ্টাৰমিডিয়েট পৰীক্ষাত ঘটুৱাবলৈ বঙালী ল'ৰাই কঠোৰ পৰিশ্ৰম কৰিব। সেইদেখি তুমি বৰ যত্ন কৰিবাই"। আকৌ তেওঁ কলে, "কলিকতা বৰ লোভ লগোৱা ঠাই। তাৰ ৰেহ-ৰূপ দেখি তুমি ভোল নেযাবা। তুমি সেইবোৰৰপৰা দূৰত থাকি মনোযোগেৰে পঢ়া-শুনা কৰিবাঁ"।

কলিকতালৈ অহাৰ আগতে ৰাজেন্দ্ৰ প্ৰসাদৰ অসুখ হ'লত তেওঁৰ যোৱা পলম হৈ পৰিল। প্ৰেছিডেন্সী কলেজত ল'ৰা-বোৰৰ পঢ়া-শুনা আৰম্ভ হৈ গ'ল। বেলিকৈ হলেও ৰাজেন্দ্ৰ প্ৰসাদে নাম লগাব পাৰিলে। বিজ্ঞানৰ ছাত্ৰ হ'ল ৰাজেন্দ্ৰ প্ৰসাদ।

কলিকতাখন দেখি ৰাজেন্দ্ৰ প্ৰসাদে বিস্ময় মানিছিল ; ভালো লাগিছিল কলিকতাত তেওঁৰ। কিন্তু হেড্মাষ্টৰ ৰসিক-লাল ৰায়ৰ কথা মনত ৰাখি তেওঁ সংযত হৈ চলিবলৈ ধৰিলে।

চাৰ জগদীশচন্দ্ৰ বসুৱে ৰাজেন্দ্ৰ প্ৰসাদক ফিজিক্স্ পদাৰ্থ বিদ্যা শিকাইছিল আৰু ৰসায়ন বিদ্যা কেমিষ্ট্ৰী শিকাইছিল প্ৰফুল্লচন্দ্ৰ ৰায়ে। এই সময়ত দেশপ্ৰিয় যতীন্দ্ৰমোহন সেনগুপ্ত ৰাজেন্দ্ৰ প্ৰসাদৰ সহপাঠী আছিল।

কলেজত নাম লগোৱাৰ কিছু দিনৰ পিচতে ৰাজেন্দ্ৰ প্ৰসাদৰ মেলেৰিয়া জ্বৰ হৈছিল। এই জ্বৰত তেওঁ বহুদিন ভুগিব লগা হ'ল। অবশেষত ডাঃ নীলৰতন সৰকাৰৰ ঔষধ খাই তেওঁৰ অৱস্থা ভাললৈ আহিল। সেই সময়তে কুইনাইন বেছিকৈ খোৱাতেই বোলে তেওঁৰ এজ্‌মা অৰ্থাৎ উদফাঁই বেমাৰ সাঁচতীয়া হৈ ৰ'ল।

এফ্-এ পৰীক্ষাতো ৰাজেন্দ্ৰ প্ৰসাদ প্ৰথম হ'ল আৰু বৃত্তি পালে। অঙ্কত তেওঁ অলপ কম নম্বৰ পোৱা কাৰণে তেওঁ ছায়েন্স নপঢ়ি আৰ্টচ্ পঢ়িবলৈ ললে। প্ৰফুল্লচন্দ্ৰ ৰায়ে তেওঁক সুধিলে, "তুমি ছায়েন্স এৰিলা কিয়" ? "চাৰ, মই অঙ্ক নোৱাৰোঁ।" । ৰায়ে কলে, "অঙ্ক ময়ো ভালকৈ নোৱাৰোঁ, সেই বুলি মই ছায়েন্স এৰিছিলো জানো"? তেওঁ দুখীত হ'ল। কিন্তু ৰাজেন্দ্ৰ প্ৰসাদে বি, এছ্-চি পঢ়িব আৰু নোৱাৰিলে।

১৯০৪ চনত ৰাজেন্দ্ৰ প্ৰসাদে এফ-এ পাছ কৰে। বি-এ পঢ়োঁতে তেওঁ কলিকতাৰ Dawn Society ত যোগ দিয়ে। সতীশচন্দ্ৰ মুখাৰ্জীয়ে এই ছচাইটিখন স্থাপন কৰে। আশুতোষ মুখাৰ্জ্জী আৰু স্বামী বিবেকানন্দ এই সতীশচন্দ্ৰৰ সহপাঠী আছিল। ডন ছচাইটীৰ উদ্দেশ্য আছিল ছাত্ৰসকলৰ চৰিত্ৰ গঠন কৰা। গুৰুদাস বেনাৰ্জী, চিষ্টাৰ নিবেদিতা আদি বহুতে এই সমাজত যোগ দিছিল।

এই ছচাইটিখনে ৰাজেন্দ্ৰ প্ৰসাদৰ চিন্তাৰ গঢ় দিলে। ৰাজেন্দ্ৰ প্ৰসাদে দেশৰ কাম কৰিবলৈ ভাল পোৱা হ'ল আৰু তেওঁৰ ভাৰতৰ জাতীয় মহাসভা কংগ্ৰেছৰ কাৰ্য্য বিৱৰণী মনোযোগেৰে পঢ়িবলৈ ধাউতি হ'ল।

বঙ্গ-ভঙ্গৰ সময়ত হোৱা আন্দোলনৰ গুৰি ধৰিছিল সুৰেন্দ্ৰ-নাথ বেনাৰ্জ্জী আৰু বিপিন চন্দ্ৰ পালে। ৰাজেন্দ্ৰ প্ৰসাদে এওঁ বিলাকৰ বক্তৃতা শুনিবলৈ ধৰিলে। অৰবিন্দৰ বক্তৃতাসভাতো তেওঁ যোগ দিলে। ১৯০৫ চনত এনে এখন সভাত বিলাতী বস্তুৰ ঠাইত স্বদেশী বস্তু ব্যৱহাৰ কৰাৰ প্ৰস্তাৱ হৈছিল। ৰাজেন্দ্ৰ প্ৰসাদে আগবেপৰাই এই প্ৰস্তাৱৰ সমৰ্থক আছিল।

বি-এ পৰীক্ষাতো ৰাজেন্দ্ৰ প্ৰসাদে প্ৰথম হৈ পাছ কৰিলে।

বুৰঞ্জীত তেওঁ আগৰ বছৰৰ ল'বাতকৈ বেছি নম্বৰ পালে। ৰাজেন্দ্ৰ প্ৰসাদক লৈ বিহাৰী ছাত্ৰসকলৰ বৰ আনন্দৰ দিন হ'ল। তেওঁবিলাকে গোটখাই বিহাৰী ছাত্ৰ-সভা এখন পাতিলে। এই ছাত্ৰ-সভাখন পিচত ৰাজনৈতিক অনুষ্ঠানত পৰিণত হয়। অসহযোগ আন্দোলনৰ সময়ত এই সভাৰ সভ্যসকলে দেশৰ সেৱাত আত্মনিয়োগ কৰিছিল।

১৯০৬ চনত কলিকতাত বহা ভাৰতীয় জাতীয় মহাসভা কংগ্ৰেছত ৰাজেন্দ্ৰ প্ৰসাদে স্বেচ্ছাসেৱকৰ কাম কৰিছিল। সেই সভাত বাওঁপন্থী আছিল বাল গঙ্গাধৰ তিলক, লালা লাজপত ৰায়, বিপিন পাল, অৰবিন্দ ঘোষ আৰু সোঁপন্থী আছিল চাৰ ফিৰোজ শ্যাহ মেহটা, গোপালকৃষ্ণ গোখেল, সুৰেন্দ্ৰ বেনাৰ্জ্জী। পণ্ডিত মদনমোহন মালব্য দুয়ো দলৰে মাজতে আছিল। সেই সভাত দাদাভাই নৌৰজীয়ে সভাপতিত্ব কৰিছিল। এই সভাত ৰাজেন্দ্ৰ প্ৰসাদে সৰোজিনী নাইডু আৰু কায়দে আজাম জিন্নাৰো বক্তৃতা শুনিছিল।

১৯১১ চনত ৰাজেন্দ্ৰ প্ৰসাদে কংগ্ৰেছ মহাসভাৰ সভ্য হয়। বি-এ পাছ কৰাৰ পিচত ৰাজেন্দ্ৰ প্ৰসাদে I. C. S. ইণ্ডিয়ান চিভিল ছাৰ্ভিচ পৰীক্ষা পাছ কৰিবৰ কাৰণে বিলাতলৈ যাবলৈ মন মেলিলে। বিলাতলৈ যাবলৈ ৰাজেন্দ্ৰ প্ৰসাদ সাজু হ'ল। পাছপৰ্ট লৈ লেখিলে আৰু ইংৰাজ দৰ্জ্জীৰ হতুৱাই বিদেশী কাপোৰৰ চুট্ কৰালে।

কিন্তু বিলাতলৈ I. C. S. পঢ়িবলৈ যোৱা নহ'ল ৰাজেন্দ্ৰ প্ৰসাদৰ। পিতাকক নোকোৱাকৈ গোপনে যোৱাৰ তেওঁৰ অভিপ্ৰায় আছিল। কিন্তু যোৱাৰ আগতে কথাটো ওলাই পৰিল। পিতাকে তেতিয়া নৰিয়াৰ ভাও জুৰিলে। ৰাজেন্দ্ৰ প্ৰসাদ যায় কেনেকৈ? তেওঁৰ পাছপৰ্ট আৰু তেওঁৰ চুট্-পোছাক লৈ তেওঁৰ ঠাইত বিলাতলৈ গ'ল তেওঁৰ এজন বন্ধু শুকদেৱ প্ৰসাদ বৰ্ম্মা।

১৯০৭ চনত ৰাজেন্দ্ৰ প্ৰসাদৰ পিতাক ঢুকায়। মৃত্যুঞ্জয় নামেৰে সেই বছৰতেই ল'ৰা এটা ওপজে ৰাজেন্দ্ৰ প্ৰসাদৰ।

বঙালী ভাষা ৰাজেন্দ্ৰ প্ৰসাদে ভালদৰে আয়ত্ত কৰে। গোটেই বঙ্গদেশ ফুৰি ভালেমান বঙালী বন্ধু লাভ কৰে তেওঁ।

বি-এল পাছ কৰাৰ পিচত ৰাজেন্দ্ৰ প্ৰসাদে ওকালতি ব্যৱসায় আৰম্ভ কৰে। সেই সময়ত কাশী বিশ্ববিদ্যালয়ৰ বাবে মদনমোহন মালব্যই টকা তুলি ফুৰিছিল। এই দান বিচৰা কামত ৰাজেন্দ্ৰ প্ৰসাদে তেওঁক সহায় কৰে।

এনেকুৱা সময়তে গোপাল কৃষ্ণ গোখেলৰ লগত ৰাজেন্দ্ৰ প্ৰসাদৰ দেখা হয় আৰু তেতিয়াৰপৰাই তেওঁৰ ভাগ্যৰ চকৰি আনবাটে ঘূৰিবলৈ ধৰে। গোখেলে ৰাজেন্দ্ৰ প্ৰসাদক কলে, "তুমি ডাঙৰ উকিল, বিলাস আৰু সৌভাগ্যৰ মাজত বুৰ গৈ থাকিব পাৰা, কিন্তু দেশে তোমাক বিচাৰিছে অন্য প্ৰকাৰৰ সেৱাৰ বাবে।" গভীৰ অনুৰাগেৰে কোৱা গোখেলৰ কথাবোৰে ৰাজেন্দ্ৰ প্ৰসাদৰ মনত চিন্তাৰ ঢৌ তুলিলে।

জীৱিকা নিৰ্ব্বাহৰ বাবে তেওঁ কলিকতা হাইকৰ্টত উকিল হ'ল। কলিকতাত ওকালতি কৰি থাকোঁতে তেওঁ আইনৰ সৰ্ব্বোচ্চ পৰীক্ষা এম, এল পাছ কৰে আৰু প্ৰথম শ্ৰেণী লাভ কৰে। আশুতোষ মুখৰ্জ্জীয়ে তেওঁক আইন বিদ্যালয়ৰ অধ্যাপক পদো যাচিছিল; কিন্তু তেওঁ নকৰিলে।

১৯১৪ চনত বঙ্গ আৰু বিহাৰত হোৱা বানপানীত ছাত্ৰ সভাৰ লগত সহযোগ কৰি ৰাজেন্দ্ৰ প্ৰসাদে বিপদত পৰা মানুহক সহায় কৰে। বিহাৰ সেৱা সমিতি এই সময়তে স্থাপন হয়। ৰাজেন্দ্ৰ প্ৰসাদৰ ককায়েক মৃত্যুৰ সময়লৈকে এই সমিতিৰ সভাপতি আছিল।

১৯১৬ চনত ৰাজেন্দ্ৰ প্ৰসাদ পুনৰ পাটনালৈ উঠি আহে আৰু তেওঁ তাৰে হাইকৰ্টত ওকালতি কৰে।

পাটনা বিশ্ববিদ্যালয় স্থাপন কৰিবৰ বাবে এখন বিল তৈয়াৰ হয়। ৰাজেন্দ্ৰ প্ৰসাদে ছাত্ৰ সভাৰ সভাপতি স্বৰূপে তাৰ ঘোৰ প্ৰতিবাদ কৰে। কাৰণ বিশ্ববিদ্যালয়খন পতাৰ কথা হ'ল নগৰৰপৰা আঁতৰত। তাত দুখীয়া ছাত্ৰৰ পক্ষে পঢ়া টান হব। তদুপৰি বিশ্ববিদ্যালয়ৰ সদস্য চৰকাৰে নিৰ্ব্বাচন কৰাৰ কথা আছিল। ৰাইজৰ প্ৰতিনিধিয়েহে ভাল কাম কৰিব

পাৰিব বুলি চৰকাৰী নিৰ্ব্বাচনৰ প্ৰতিবাদ কৰা হ'ল। আন্দোলন ইমান প্ৰবল হল যে বিলখন সংশোধিত নকৰাকৈ নোৱাৰিলে আৰু যেতিয়া পাটনা বিশ্ববিদ্যালয় স্থাপন কৰা হ'ল তেতিয়া ৰাজেন্দ্ৰ প্ৰসাদকে বিহাৰৰ গৱৰ্ণৰে চিনেটৰ সদস্য মনোনীত কৰিলে।

১৯১৬ চনত বহা লক্ষৌৰ কংগ্ৰেছ লেখত লবলগীয়া মহাত্মা গান্ধীয়ে তাত প্ৰথম বাৰৰ কাৰণে যোগদান কৰে। গান্ধীজী আফ্ৰিকাৰপৰা ভাৰতলৈ উলটি আহে ১৯১৫ চনত। কংগ্ৰেছৰ কাম তেওঁ তেতিয়া হাতত লোৱা নাই। ৰাজেন্দ্ৰ প্ৰসাদে এওঁক সেই প্ৰথম দেখা পালে। ইয়াৰ পিচত দেখে চম্পাৰণ সত্যাগ্ৰহত ১৯১৭ চনত।

বেটিয়া ৰাজ্যৰ চম্পাৰণ নীল খেতিৰ বাবে বিখ্যাত। প্ৰথমতে গান্ধীজী তালৈ যায় অনুসন্ধানৰ কামত। ৰাজেন্দ্ৰ প্ৰসাদকো গান্ধীজীয়ে বিচাৰি লয়। "মই আপোনাৰ ঘৰলৈকে গৈছিলোঁ। ৰাজেন্দ্ৰ বাবু, আপোনাৰ লগুৱাটোৱে মোক বহিব-লৈকে নিদিলে দেখোন।" মিচিকিয়া হাঁহিৰে কথা কোৱা মহাত্মা গান্ধীক দেখি ৰাজেন্দ্ৰ প্ৰসাদ যেন লাজকুৰীয়া হ'ল।

চম্পাৰণত নীল খেতিৰ বাগিচাবোৰ ইংৰাজ প্লেণ্টাৰৰ আছিল। তেওঁবিলাকে খেতি নিজে নকৰে—কৰে চম্পাৰণৰ অধিবাসীসকলে। বেটিয়াৰ মহাৰাজৰপৰা মাটি লীজত লয় ইংৰাজ প্লেণ্টাৰে। মাটিৰ খাজনা বেছি নহয়; কিন্তু তাৰ চাৰি গুণ আদায় কৰে খেতিয়কৰপৰা। খেতিয়কক সেই মাটিত নীলৰ বাহিৰে অন্য খেতি কৰিবলৈ দিয়ে নিচেই কম পৰিমাণেহে। তেওঁবিলাকক কেৱল নীল লাগে, কৰ লাগে আৰু এশ এটা চেলু লৈ টকা আদায় কৰিবলৈ লাগে। গান্ধীজীয়ে ৰাজেন্দ্ৰ প্ৰসাদক মাতিলে মতিহাৰীলৈ। ৰাজেন্দ্ৰ প্ৰসাদৰ কিজানি তেতিয়া জেললৈ যাবলৈ ভয় আছিল। মহা-ত্মাৰ লগত কাম কৰি তেওঁৰ সেই ভয় নোহোৱা হ'ল।

চম্পাৰণ সত্যাগ্ৰহ ভাৰতৰ ইতিহাসত লেখত লবলগীয়া ঘটনা। মতিহাৰীলৈ মহামতি এণ্ড্ৰুজো আহিছিল। এণ্ড্ৰুজৰ লগত তেতিয়া ৰাজেন্দ্ৰ প্ৰসাদৰো চিনাকি হ'ল আৰু মানৱতাৰ

সেৱা কৰা এই ইংৰাজজনক ৰাজেন্দ্ৰ প্ৰসাদে মনে-প্ৰাণে ভাল পালে।

১৯১৭ চনত কংগ্ৰেছ মহাসভা কলিকতাত বহে আৰু এনী বেচান্ত তাৰ সভানেত্ৰী হয়। ৰাজেন্দ্ৰ প্ৰসাদে তাত যোগ-দান কৰি মহাত্মা গান্ধীৰ লগতে থাকে আৰু পিচত তেওঁৰ লগতে সবৰমতি আশ্ৰমলৈ যায়।

মহাত্মা গান্ধীৰো যে দুৰ্ব্বলতা আছিল, এইটো প্ৰসাদে নিজ চকুৰে দেখিবলৈ পাইছিল। আহমদাবাদত গান্ধীজী শেঠ আম্বা-লাল সাবাভাইৰ কাবেঙত জ্বৰ পৰি আছিল। তেওঁ লৰালৰিকৈ তাৰপৰা গুচি আহিল সবৰমতিলৈ। তেওঁক চালপীৰাত বহি কান্দি থকা দেখা পালে ৰাজেন্দ্ৰ প্ৰসাদে। ছগনলাল গান্ধীক কবলৈ ধৰিলে, "চোৱাঁ, সকলোবোৰ কাম মোৰ মিছা হ'ল। সাবাভাইৰ তাত মই থাকোঁ কেনেকৈ? ইমান বিলাসৰ মাজত মনটো যে মোৰ ভাগি পৰে। ইয়াত আশ্ৰমত মই সুখী। কিন্তু কামবোৰ সমাধা নোহোৱাত বেয়া পাইছোঁ। দক্ষিণ আফ্ৰিকাৰপৰা আহি মই যতে হাত দিছো সম্পূৰ্ণ কৰিব পৰা নাই। মিলত কাম কৰা বনুৱাৰ ধৰ্ম্মঘটত যোগ দি দাবী কিছুদূৰ পৰণ কৰিলো, কিন্তু বনুৱাবিলাকৰ এতিয়াও যে বহুত অসুবিধা আছে। চম্পা-ৰণলৈ গলো নীল খেতিয়কক অত্যাচাৰৰপৰা ৰক্ষা কৰিবলৈ। কিন্তু সিঁহতৰ ভাগ্যত এতিয়াও বহুত দুখ আছে। তাত দুখনমান পঢ়াশালি পাতি দিলো, কিন্তু সেইবোৰেই জানো যথেষ্ট?" ৰাজেন্দ্ৰ প্ৰসাদলৈ চাই কলে, "তোমালোকক মই পালেও মন-প্ৰাণ দি কাম কৰিব পাৰিলোঁ ক'ত? সেই কাম এৰি আহিবলগীয়া হ'ল কৈৰালৈ। কৈৰাত সত্যাগ্ৰহ সমাপন হলেও আৰু বহুত কাম কৰিবলৈ থাকিল। মুঠতে একোকে কৰিব নোৱাৰিলো। তাৰ পিচত যোগ দিলো মহাযুদ্ধৰ বাবে সহায় বিচাৰি। মোৰ এতিয়া অসুখ। ভাল হব পাৰিম জানো মই? মোৰ অসুখৰ বাবেই তোমালোকেও কাম কৰিব পৰা নাই। নেজানো ঈশ্বৰৰ কি ইচ্ছা আছে।"

সবৰমতি আশ্ৰমত এইদৰে কৈ চকুলো টুকি থকা মহাত্মা গান্ধীক দেখোতাসকলৰ ভিতৰত ৰাজেন্দ্ৰ প্ৰসাদো এজন।

অকল জানো চকুলো টুকিছিল ? সকু ল'বাৰ দৰে তেওঁ কান্দিছিলো ।

এইদৰে সেই সৰলমতি মহামানৱজনৰ সম্পূৰ্ণ পৰিচয় ৰাজেন্দ্ৰ প্ৰসাদে পালে ।

ইয়াৰ পাচতেই আহিল চাৰ মাইকেল অ' ডায়াৰৰ ৰাওলাট্ আইনৰ কাহিনী । গোটেই ভাৰতকে ভূইকঁপৰ জোকাৰনিৰে জোকাৰি এই ৰাওলাট আইন এপাট শক্তিশেলৰ দৰে ভাৰতৰ বুকুত পৰিল । চাৰ চিড্‌নি ৰাওলাট নামেৰে জজ এজনৰ ৰিপৰ্টৰ ওপৰত এই আইনখন তৈয়াৰ হৈছিল ।

যি মহাত্মা গান্ধীয়ে মহাযুদ্ধত বৃটিছক ধনে-প্ৰাণে সহায় কৰিবলৈ আগবাঢ়িল তেওঁ এই আইন দেখি বিস্ময় মানিলে । তেওঁ 'ইয়ং ইণ্ডিয়া'ত ইয়াৰ উপযুক্ত উত্তৰ লেখিবলৈ ধৰিলে । গান্ধীজী আজি দিল্লীত, কাইলৈ বোম্বাইত । গোটেই দেশ উতলি উঠিল । গান্ধীক পুলিচে ধৰিলে, আকৌ এৰি দিলে । ৰাজেন্দ্ৰ প্ৰসাদ আহমদাবাদলৈ লৰি গ'ল । সবৰমতিৰপৰা ৰাজেন্দ্ৰ প্ৰসাদ গান্ধীজীৰ লগত বোম্বাইলৈ গ'ল ।

১৯২১ চনত চাপ্ৰাৰ বানপানীত ৰাজেন্দ্ৰ প্ৰসাদে সেৱাৰ কাম চলালে, খাদ্য বিতৰণ কৰিলে । বানপানীৰ সেৱা তেওঁৰ এয়েই প্ৰথম নহয় । ইয়াৰ আগতে ১৯১৪ চনত বিহাৰত হোৱা প্ৰলয়ঙ্কৰ বানপানীতো তেওঁ অক্লান্তভাৱে দেশৰ সেৱা কৰিছিল ।

পণ্ডিত মদনমোহন মালব্যৰ লগত ৰাজেন্দ্ৰ প্ৰসাদ অসমলৈ প্ৰথম বাৰ আহে । তেওঁ লেখি গৈছে, "আমাৰ দুৱোৰে এইখন দেশলৈ এয়ে প্ৰথম আগমন । প্ৰদেশখনৰ সৌন্দৰ্য্যত মই মুগ্ধ হলো । সেউজীয়া সমতল, ধুনীয়া নৈবোৰক লৈ গাম্ভীৰ্য্যপূৰ্ণ ব্ৰহ্মপুত্ৰ, জীৱন্ত সজীৱ পৰ্ব্বতমালা, চকু জুৰ পৰা অৰণ্য, সকলোবোৰেই মন মুগ্ধ কৰি পেলায় । কিন্তু বনৰীয়া জন্তুৰে পৰিপূৰ্ণ হাবিয়ে আৰু পাহাৰী শিলনীয়া ভূমিয়েই বহু ঠাই খেতিৰ অযোগ্য কৰি ৰাখিছে আৰু ভ্ৰমণ বিপদজনক কৰি তুলিছে । অশ্ৰান্ত বৰষুণ আৰু সেমেকা জল-বায়ুৱে বহু ঠাই জ্বৰৰ জন্মস্থান কৰি থৈছে ।